দেওবৰীয়া দৈনিক
অগ্ৰদূত



গুৱাহাটী, ২১ জুন, দেওবাৰ ২০২৬ পৃষ্ঠা ১০

# দিছপুৰ মহাবিদ্যালয়ত গীতে-মাতে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাক সোঁৱৰণ

গুৱাহাটী, ২০ জুন ঃ দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত আজি কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানটোৰ জৰিয়তে কলাগুৰুৰ জীৱন, আদৰ্শ আৰু সাংস্কৃতিক অৱদানক স্মৰণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীৰ ভিতৰত ৰাভা সংগীত, নৃত্য আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে 'কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা ঃ জীৱন আৰু কৃতী' শীৰ্ষক ৰচনা প্ৰতিযোগিতা উল্লেখযোগ্য। অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে কলাগুৰু ৰাভাৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। লগতে ৰাভাৰ অমৰ গীতসমূহ পৰিৱেশনৰ জৰিয়তে তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰা ১৩ পৃষ্ঠাত চাওক

# দিছপুৰ মহাবিদ্যালয়ত গীতে

১২ পৃষ্ঠাৰ পৰা হয়। অনুষ্ঠানৰ মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ডাঃ অঞ্জনজ্যোতি চৌধুৰী। তেওঁ কলাগুৰু ৰাভাৰ বহুমুখী প্ৰতিভা, সমাজ চেতনা আৰু সাংস্কৃতিক অৱদানৰ বিষয়ে আলোকপাত কৰে। সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাক সশ্ৰদ্ধ স্মৰণ কৰি তেওঁৰ আদৰ্শ নতুন প্ৰজন্মৰ মাজত প্ৰসাৰিত কৰাৰ আহ্বান জনায়।